**2014**

( May )

COMMERCE

**( Corporate Accounting )**

( General/Speciality )

Course : 203

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** (a) তলত দিয়াবোৰ 'সঁচা' নে 'মিছা' লিখা : 1×2=2

(i) ঋণপত্ৰ বিলিৰ লোকচানৰ হিচাপ হ'ল এটা সম্পত্তি।

(ii) আদালতৰ অনুমোদন অবিহনে মূলধন হ্ৰাসকৰণ বে-আইনী হয়।

(b) খালী ঠাই পূৰণ কৰা : 1×3=3

(i) অগ্ৰাধিকাৰমূলক অংশপত্ৰসমূহ —— হ'লে প্ৰত্যৰ্পণ কৰিব পৰা যায়।

(ii) অনুমোদিত মূলধনৰ সেই অংশটো, যাক মাত্ৰ কোম্পানীৰ অৱসায়ন হ'লেহে তলব কৰিব পাৰি, তাক —— মূলধন বোলা হয়।

www.prepnext.com

(iii) কোনো কোম্পানীৰ দুটা বাৰ্ষিক সাধাৰণ সভাৰ মাজত ঘোষিত লভ্যাংশক —— বুলি কোৱা হয়।

(c) শুদ্ধ উত্তৰটো লিখা : 1×3=3

(i) একত্রিত বিত্তীয় বিবৰণীসমূহ হিচাপ বিদ্যাৰ —— নং মান অনুযায়ী প্ৰস্তুত কৰা হয়।

(1) 19

(2) 21

(3) 23

(ii) 1956 চনৰ কোম্পানী আইনৰ 95 নং দফা অনুসৰি এটা কোম্পানীয়ে ইয়াৰ অংশ মূলধনৰ পৰিৱৰ্তন সাধন কৰাৰ —— দিনৰ ভিতৰত পঞ্জীয়কৰ ওচৰত এই বিষয়ে জাননী পঠিয়াব লাগে।

(1) 15

(2) 25

(3) 30

(iii) অংশপত্র বাজেয়াপ্তকৰণ হিচাপ উদ্বৃত্ত-পত্ৰৰ দেয়ৰ ফালে

(1) আদায়কৃত মূলধনৰ সৈতে যোগ কৰি দেখুওৱা হয়

(2) সঞ্চয় আৰু ৰাহিৰ শিৰোনামাত দেখুওৱা হয়

(3) চলিত দেয় আৰু ব্যৱস্থাৰ শিৰোনামাত দেখুওৱা হয়



2. তলৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা : 4×4=16

(a) নিমজ্জিত পুঁজি

(b) অংশপত্ৰৰ পুনঃক্রয়

(c) মুকলি বজাৰ সঞ্চালন

(d) মূলধনী সঞ্চয়

(e) সংখ্যালঘুৰ স্বাৰ্থ

(f) ঋণ মূলধন

3. (a) *PMS* লি.-ৰ অনুমোদিত মূলধনৰ পৰিমাণ 15,00,000 টকা যিখিনি 15000 টা 100 টকীয়া সাধাৰণ অংশত বিভাজিত। কোম্পানীটোৱে 10000 অংশপত্র 20 টকা অধিমূল্যত বিলি কৰিলে। অংশপত্ৰৰ মূল্য তলত দিয়া ধৰণে দিবলগীয়া :

| | টকা |
|---|---|
| আবেদনত অংশ প্ৰতি (অধিমূল্য সৈতে) | 40 |
| আবণ্টনত | 40 |
| প্ৰথম তলবত | 20 |
| অন্তিম তলবত | 20 |

15000 অংশপত্ৰৰ বাবে আবেদনপত্র পোৱা হ'ল আৰু নিম্নৰূপে আবণ্টন কৰা হ'ল :

(i) 3000 অংশপত্ৰৰ আবেদনকাৰীসকললৈ অনুশোচনা-পত্র পঠোৱা হ'ল আৰু তেওঁলোকৰ টকা ফিৰৎ দিয়া হ'ল

(ii) 6000 অংশপত্ৰৰ আবেদনকাৰীসকলক সম্পূৰ্ণ আবণ্টন কৰা হ'ল

www.prepnext.com

*(iii)* পৰৱৰ্তী 6000 অংশপত্ৰৰ আবেদনকাৰীসকলক আনুপাতিক হাৰত অৱশিষ্ট অংশপত্ৰসমূহ আবণ্টন কৰা হ'ল আৰু আবেদনৰ সময়ত প্ৰেৰিত অতিৰিক্ত টকা আবণ্টনত দেয় টকাৰ বিপৰীতে সংযোজন কৰা হ'ল

*A* নামৰ এজন অংশপত্ৰধাৰকে আনুপাতিক হাৰে তেওঁক আবণ্টিত 100 অংশপত্ৰৰ ক্ষেত্ৰত আবণ্টনৰ টকা প্ৰদানত অসমৰ্থ হ'ল। প্ৰথম তলবৰ টকা প্ৰদানতো ব্যৰ্থ হোৱাৰ ফলত তেওঁৰ অংশপত্ৰবিলাক বাজেয়াপ্ত কৰা হ'ল। *B* নামৰ আন এজন অংশপত্ৰধাৰকে 200 অংশপত্ৰৰ ওপৰত প্ৰথম আৰু অন্তিম তলবৰ টকা প্ৰদানত ব্যৰ্থ হোৱাত অন্তিম তলবৰ পিছত তেওঁৰ অংশপত্ৰবিলাকো বাজেয়াপ্ত কৰা হ'ল।

বাজেয়াপ্ত অংশপত্ৰবিলাকৰ 200 অংশপত্ৰ (*A*-ৰ 50 টা অংশপত্ৰৰ সৈতে) প্ৰতিটো 90 টকাত পূৰ্ণ আদায়কৃত মূল্যত ন-কৈ বিলি কৰা হ'ল।

কোম্পানীৰ হিচাপ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টিবিলাক লিখা। 14

*অথবা*

*(b)* অংশপত্ৰৰ বিলি আৰু বাজেয়াপ্তকৰণ সম্পৰ্কত SEBI-ৰ (2013-ৰ কোম্পানী আইনৰ আগৰ) নিৰ্দেশাৱলী আলোচনা কৰা।



**4.** *(a)* ৰাম লি. আৰু কৃষ্ণ লি. উভয়েই একত্ৰিত হ'বলৈ সিদ্ধান্ত ল'লে আৰু দুয়োটা কোম্পানীকে অধিগ্ৰহণ কৰিব বাবে 31 মাৰ্চ, 2013 চনত ৰামকৃষ্ণ লি. নামেৰে এটা নতুন কোম্পানী গঠন কৰিলে। উক্ত তাৰিখত কোম্পানীসমূহৰ উদ্বৃত্ত-পত্ৰ তলত দিয়া হ'ল :

| *দেয়* | *ৰাম লি.* | *কৃষ্ণ লি.* | *সম্পত্তি* | *ৰাম লি.* | *কৃষ্ণ লি.* |
|---|---|---|---|---|---|
| | টকা | টকা | | টকা | টকা |
| সম্পূৰ্ণ আদায়ীকৃত | | | সুনাম | 1,00,000 | 80,000 |
| 10 টকীয়া অংশ মূলধন | 5,00,000 | 3,00,000 | মাটি আৰু ভৱন | 2,50,000 | 1,90,000 |
| সঞ্চিত পুঁজি | 2,00,000 | 1,50,000 | যন্ত্ৰপাতি | 2,00,000 | 2,55,000 |
| লাভ-লোকচান হিচাপ | 30,000 | 50,000 | স্বত্ব আৰু | | |
| লভ্যাংশ সমবিতৰণ নিধি | — | 1,00,000 | ব্যৱসায় চিহ্ন | — | 52,500 |
| শ্ৰমিক ক্ষতিপূৰণ নিধি | 20,000 | — | সম্ভাৰ | 2,00,000 | 1,50,000 |
| বেংক অধিবিকৰ্ষ | — | 50,000 | বিবিধ দেনাদাৰ | 90,000 | 40,000 |
| বিবিধ পাওনাদাৰ | 90,000 | 1,10,000 | প্ৰাপ্য বিল | — | 20,000 |
| দেয় বিল | 50,000 | 30,000 | বেংকত জমা | 50,000 | 2,500 |
| | 8,90,000 | 7,90,000 | | 8,90,000 | 7,90,000 |

প্ৰতিটো কোম্পানীক পৰিশোধ কৰিবলগীয়া মূল্য কেনেদৰে নিৰূপণ কৰা হ'ব, দেখুওৱা আৰু একত্ৰিকৰণ ক্ৰয়ৰ প্ৰকৃতিত কৰা হয় বুলি ধাৰণা কৰি ৰামকৃষ্ণ লি.-ৰ একত্ৰিকৃত উদ্বৃত্ত-পত্ৰখন তৈয়াৰ কৰা। 8+6=14

*অথবা*

*(b)* *(i)* ক্ৰয়-বিনিময় মূল্য কেনেকৈ নিৰ্ণয় কৰা হয়? ক্ৰয়-বিনিময় মূল্য পৰিশোধ কৰাৰ বিভিন্ন উপায় কি কি? 8

www.prepnext.com

*(ii)* চামিলকৰণ প্ৰকৃতিৰ একত্ৰিকৰণ আৰু ক্ৰয় প্ৰকৃতিৰ একত্ৰিকৰণত সাধাৰণ সঞ্চয়ক (Reserves) কেনেধৰণে হিচাপত লিপিবদ্ধ বা অন্তৰ্ভুক্ত কৰা হয়, ব্যাখ্যা কৰা। 6

**5.** *(a)* *(i)* কোম্পানী অৱসায়নৰ বিভিন্ন পদ্ধতিৰ ওপৰত এটা টোকা লিখা। 4

*(ii)* 31 মাৰ্চ, 2013 চনত *XYZ* লি.-ৰ স্বেচ্ছাকৃত অৱসায়ন ঘটিল। উক্ত তাৰিখত কোম্পানীৰ অৱস্থা তলত দিয়াৰ দৰে আছিল :

| | টকা |
|---|---|
| অংশ মূলধন—অংশই প্ৰতি 8 টকাকৈ তলবীকৃত প্ৰতিটো 10 টকা মূল্যৰ 5000 সমাংশ | 40,000 |
| জামিনবিহীন পাওনাদাৰ : | |
| অগ্ৰাধিকাৰমূলক | 5,000 |
| অগ্ৰাধিকাৰবিহীন | 25,000 |
| জামিনযুক্ত পাওনাদাৰ (যন্ত্ৰপাতিৰ ওপৰত জামিনযুক্ত) | 15,000 |
| নগদ হাতে জমা | 1,000 |

যন্ত্ৰপাতি বিক্ৰীৰ পৰা চূড়ান্তভাৱে 10,000 টকা আৰু আন আন সম্পত্তিৰ পৰা 10,000 টকা আদায় হ'ল। অৱসায়ন সংক্ৰান্ত ব্যয়ৰ পৰিমাণ হৈছিল 500 টকা। অৱসায়কে নগদ হাতে জমা ব্যতিৰেকে মুঠ আদায়ীকৃত ধনৰ ওপৰত শতকৰা 5 টকা হাৰত আৰু জামিনবিহীন পাওনাদাৰসকলক বিতৰণ কৰা ধনৰ ওপৰত শতকৰা 2 টকা হাৰত পাৰিশ্ৰমিক পাব।

জামিনবিহীন পাওনাদাৰসকলক চূড়ান্তভাৱে বিতৰণ কৰা ধনৰ শতকৰা হাৰ দেখুৱাই অৱসায়কৰ চূড়ান্ত হিচাপৰ বিবৃতি প্ৰস্তুত কৰা। 10



*অথবা*

*(b)* অগ্ৰাধিকাৰযুক্ত পাওনাদাৰ বুলিলে কি বুজা? অৱসায়কৰ চূড়ান্ত বিবৃতি প্ৰস্তুত কৰাৰ সময়ত মানিবলগীয়া অগ্ৰাধিকাৰৰ ক্ৰম বৰ্ণনা কৰা। 5+9=14

**6.** *(a)* 31 মাৰ্চ, 2013 চনৰ *H* লি. আৰু ইয়াৰ নিয়ন্ত্ৰিত কোম্পানী *S* লি.-ৰ উদ্বৃত্ত-পত্ৰ তলত দিয়া ধৰণৰ আছিল :

| *দেয়* | *H লি.* টকা | *S লি.* টকা | *সম্পত্তি* | *H লি.* টকা | *S লি.* টকা |
|---|---|---|---|---|---|
| অংশ মূলধন : | | | যন্ত্ৰপাতি | 3,00,000 | 1,00,000 |
| প্ৰতিটো 10 টকা | | | আচবাব | 70,000 | 45,000 |
| সমমূল্যৰ সম্পূৰ্ণ | | | *S* লি.-ত | | |
| আদায়ীকৃত অংশপত্ৰ | 6,00,000 | 2,00,000 | বিনিয়োজিত | | |
| সাধাৰণ সঞ্চিত পুঁজি | 1,50,000 | 70,000 | 70% অংশপত্ৰ | | |
| লাভ-লোকচানৰ হিচাপ | 70,000 | 50,000 | ক্ৰয়মূল্যত | 2,60,000 | — |
| পাওনাদাৰ | 90,000 | 60,000 | সম্ভাৰ | 1,75,000 | 1,89,000 |
| দেয় বিল | 20,000 | 10,000 | দেনাদাৰ | 55,000 | 30,000 |
| | | | প্ৰাপ্য বিল | 20,000 | 10,000 |
| | | | বেংকত জমা | 50,000 | 10,000 |
| | | | প্ৰাৰম্ভিক ব্যয় | — | 6,000 |
| | 9,30,000 | 3,90,000 | | 9,30,000 | 3,90,000 |

30 জুন, 2012 চনত *H* লি.-এ *S* লি.-ৰ অংশপত্ৰসমূহ অধিগ্ৰহণ কৰে। 1 এপ্ৰিল, 2012 তাৰিখত *S* লি.-ৰ সাধাৰণ সঞ্চিত পুঁজি আৰু লাভ-লোকচান হিচাপৰ স্থিতি আছিল যথাক্ৰমে 60,000 টকা আৰু 20,000 টকা।

www.prepnext.com

*S* লি.-ৰ প্ৰাপ্য বিলৰ ভিতৰত *H* লি.-এ গ্ৰহণ কৰা 8,000 টকাৰ বিল সোমাই আছে আৰু *S* লি.-ৰ পাওনাদাৰৰ ভিতৰত *H* লি.-ক দিবলগীয়া 20,000 টকা সোমাই আছে। 31 মাৰ্চ, 2013 চনত অন্ত পৰা বছৰটোৰ ভিতৰত প্ৰাৰম্ভিক ব্যয়ৰ কোনো অংশ অৱলোপিত হোৱা নাছিল।

31 মাৰ্চ, 2013 চনৰ একত্ৰিত উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা। কেনেকৈ সংখ্যাবোৰ পালা, সেইখিনি অঙ্ক কৰি দেখুৱাব লাগিব। 14

*অথবা*

*(b)* নিয়ন্ত্ৰিত কোম্পানী সম্পৰ্কে অধিকাৰী কোম্পানীৰ উদ্বৃত্ত-পত্ৰত দিবলগা বিৱৰণখিনিৰ বিস্তৃত বিৱৰণ দিয়া আৰু অধিকাৰী কোম্পানীৰ উদ্বৃত্ত-পত্ৰৰ লগত সংলগ্ন কৰিবলগা নিয়ন্ত্ৰিত কোম্পানীৰ নথিপত্ৰ বিৱৰণ প্ৰস্তুত কৰা।



www.prepnext.com

## ENGLISH VERSION

**1.** *(a)* State whether the following statements are 'True' or 'False' : 1×2=2

*(i)* Loss on issue of Debenture Account is an asset.

*(ii)* Reduction of capital is unlawful except when sanctioned by the Court.

*(b)* Fill in the blanks : 1×3=3

*(i)* Preference Shares can be redeemed if they are ——.

*(ii)* The portion of the authorised capital which can be called up only on the liquidation of the company is called —— capital.

*(iii)* Dividend declared between two annual general meetings of a company is known as ——.

*(c)* Write the correct answer : 1×3=3

*(i)* Consolidated Financial Statements are prepared as per Accounting Standard

(1) 19

(2) 21

(3) 23

(ii) Under Section 95 of the Companies Act, 1956 a company shall give notice of the alteration of its share capital to the Registrar within —— days of doing so.

(1) 15

(2) 25

(3) 30

(iii) Share Forfeited Account is shown on the liabilities side of the Balance Sheet

(1) by adding to the paid-up capital

(2) under the head Reserves & Surplus

(3) under the head Current Liabilities and Provisions

**2.** Write short notes on any *four* of the following : 4×4=16

(a) Sinking Fund

(b) Buyback of Shares

(c) Open Market Operation

(d) Capital Reserve

(e) Minority Interest

(f) Debt Capital

www.prepnext.com



**3.** (a) PMS Ltd. has an authorised capital of ₹ 15,00,000 in 15000 Equity Shares of ₹ 100 each. The company issued 10000 shares at a premium of ₹ 20 per share payable as under :

| | ₹ |
|---|---|
| On Application (including premium) | 40 |
| On Allotment | 40 |
| On First Call | 20 |
| On Final Call | 20 |

Applications were received for 15000 shares and allotment was made as follows :

(i) Regret letters were issued to the applicants for 3000 shares and money refunded

(ii) Full allotment was made to the applicants for 6000 shares

(iii) The rest of the shares were allotted to the applicants for next 6000 shares on pro-rata basis, the excess application money being adjusted against amount due on allotment

All money due were received except one shareholder named *A* to whom 100 shares were allotted on pro-rata basis, failed to pay his allotment money.

His subsequent failure to pay the first call, his shares were forfeited. Another shareholder named *B* to whom 200 shares were allotted failed to pay both the calls and his shares were forfeited after the final call.

Out of the above forfeited shares, 200 shares (including 50 shares of *A*) were reissued at ₹ 90 each as fully paid.

Pass necessary Journal Entries in the books of the company. 14

*Or*

*(b)* Discuss the SEBI guidelines (prior to Companies Act, 2013) regarding issue and forfeiture of shares.

**4.** *(a)* Ram Ltd. and Krishna Ltd. decided to amalgamate and a new company named Ramakrishna Ltd. is formed to take over both the companies as on 31st March, 2013. The following are the Balance Sheets of the companies as on that date :

| *Liabilities* | *Ram Ltd.* ₹ | *Krishna Ltd.* ₹ | *Assets* | *Ram Ltd.* ₹ | *Krishna Ltd.* ₹ |
|---|---|---|---|---|---|
| Share Capital of ₹ 10 fully paid-up | 5,00,000 | 3,00,000 | Goodwill | 1,00,000 | 80,000 |
| Reserve Fund | 2,00,000 | 1,50,000 | Land & Buildings | 2,50,000 | 1,90,000 |
| Profit & Loss A/c | 30,000 | 50,000 | Plant & Machinery | 2,00,000 | 2,55,000 |



| *Liabilities* | *Ram Ltd.* ₹ | *Krishna Ltd.* ₹ | *Assets* | *Ram Ltd.* ₹ | *Krishna Ltd.* ₹ |
|---|---|---|---|---|---|
| Dividend Equalization Fund | — | 1,00,000 | Patents & Trade Mark | — | 52,500 |
| Workmen Compensation Fund | 20,000 | — | Stock | 2,00,000 | 1,50,000 |
| Bank Overdraft | — | 50,000 | Sundry Debtors | 90,000 | 40,000 |
| Sundry Creditors | 90,000 | 1,10,000 | Bills Receivable | — | 20,000 |
| Bills Payable | 50,000 | 30,000 | Cash at Bank | 50,000 | 2,500 |
| | 8,90,000 | 7,90,000 | | 8,90,000 | 7,90,000 |

Show how the amount payable to each company is arrived at and prepare the amalgamated Balance Sheet of Ramakrishna Ltd. assuming amalgamation is done in the nature of purchase. 8+6=14

*Or*

*(b)* *(i)* How is purchase consideration determined? What are the different ways of discharging the purchase consideration? 8

*(ii)* Explain the treatment of reserves on amalgamation in the nature of merger and amalgamation in the nature of purchase. 6

www.prepnext.com

5. *(a)* *(i)* Write a note on modes of winding-up of a company. 4

*(ii)* *XYZ* Ltd. went into voluntary liquidation on 31st March, 2013. The position of the company on that date was as follows :

| | ₹ |
|---|---|
| Share Capital—5000 Equity Shares of ₹ 10 each, ₹ 8 per share called up | 40,000 |
| Unsecured Creditors : | |
| Preferential | 5,000 |
| Non-preferential | 25,000 |
| Secured Creditors (secured on Plant and Machinery) | 15,000 |
| Cash in Hand | 1,000 |

Plant and Machinery finally realized ₹ 10,000 and other assets realized ₹ 10,000. The liquidation expenses amounted to ₹ 500 and the liquidator was entitled to a remuneration of 5% on the amount realized excepting cash in hand and 2% on the amount distributed to the unsecured creditors.

Prepare the Liquidator's Final Statement of Account showing the percentage of distribution finally made to unsecured creditors. 10



*Or*

*(b)* What do you mean by preferential creditors? State the rank of preferences to be followed by the liquidator while preparing his final statement of accounts. 5+9=14

6. *(a)* The following are the Balance Sheets of *H* Ltd. and its subsidiary company *S* Ltd. as on 31st March, 2013 :

| *Liabilities* | *H Ltd.* ₹ | *S Ltd.* ₹ | *Assets* | *H Ltd.* ₹ | *S Ltd.* ₹ |
|---|---|---|---|---|---|
| Share Capital : Shares of ₹ 10 each fully paid | 6,00,000 | 2,00,000 | Machinery | 3,00,000 | 1,00,000 |
| | | | Furniture | 70,000 | 45,000 |
| General Reserve | 1,50,000 | 70,000 | Investment : 70% shares in *S* Ltd. at cost | 2,60,000 | — |
| Profit & Loss A/c | 70,000 | 50,000 | Stock | 1,75,000 | 1,89,000 |
| Creditors | 90,000 | 60,000 | Debtors | 55,000 | 30,000 |
| Bills Payable | 20,000 | 10,000 | Bills Receivable | 20,000 | 10,000 |
| | | | Cash at Bank | 50,000 | 10,000 |
| | | | Preliminary Expenses | — | 6,000 |
| | 9,30,000 | 3,90,000 | | 9,30,000 | 3,90,000 |

*H* Ltd. acquired the shares of *S* Ltd. on 30th June, 2012. On 1st April, 2012, *S* Ltd.'s General Reserve and Profit & Loss A/c balance stood at ₹ 60,000 and ₹ 20,000 respectively.

www.prepnext.com

Bills Receivable of *S* Ltd. include bills for ₹ 8,000 accepted by *H* Ltd. and creditors of *S* Ltd. include ₹ 20,000 due to *H* Ltd. No part of preliminary expenses was written off during the year ended 31st March, 2013.

You are required to prepare the Consolidated Balance Sheet as on 31st March, 2013 showing therein how your figures are arrived at. 14

*Or*

*(b)* Give in detail the particulars which shall be disclosed in the Balance Sheet of holding company regarding its subsidiaries and also state what documents shall be attached to the Balance Sheet of holding company regarding its subsidiaries.

★★★

www.prepnext.com